## রুদ্ৰসিংহৰ ৰাজত্বৰ গুৰুত্ব আলোচনা কৰা।

গদাধৰ সিংহৰ মৃত্যুৰ পিছত জ্যেষ্ঠপুত্ৰ লাই কোঁৱৰে রুদ্ৰসিংহ নাম লৈ 1696 খৃঃত আহোম সিংহাসন আৰোহণ কৰে। তেওঁৰ ৰাজত্বকালত অসমীয়া সমাজ- সংস্কৃতি, ধৰ্ম- ৰাজনীতিৰ দিশত হোৱা অভূতপূৰ্ব উন্নতি আৰু বিকাশৰ প্ৰতি লক্ষ্য ৰাখি তেওঁক সৰ্বশ্ৰেষ্ঠ আহোম ৰজাৰ সন্মান দিয়া হৈছে।

<u>বৈষ্ণৱ সকলৰ প্ৰতি নমনীয় ব্যৱহাৰ</u>: সিংহাসন আৰোহণ কৰিয়েই রুদ্ৰসিংহই বৈষ্ণৱসকলৰ প্ৰতি উদাৰতা প্ৰদৰ্শন কৰি নিজৰ ধৰ্মীয় সহিষ্ণুতাৰ পৰিচয় দিয়ে। গদাধৰ সিংহৰ বৈষ্ণৱ বিদ্বেষী নীতিৰ বিপৰীতে সম্প্ৰীতি নীতি প্ৰদৰ্শন কৰি তেওঁ প্ৰশাসনিক দক্ষতাৰ পৰিচয় দিয়ে। গদাধৰ সিংহই বৈষ্ণৱ সকলৰ ঐক্য বিনষ্ট কৰিবৰ অৰ্থে দুৰ্গম ঠাইত স্থাপন কৰা বৈষ্ণৱ গোঁসাই- মহন্ত সকলক রুদ্ৰসিংহই উলি আনি মাজুলীত পুনৰসংস্থাপন কৰে। তেতিয়াৰ পৰাই মাজুলী অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰত পৰিণত হয়।

<u>কছাৰী আৰু জয়ন্তীয়া সকলৰ বিৰুদ্ধে অভিযান</u>: কছাৰী আৰু জয়ন্তীয়া ৰজাই রুদ্ৰসিংহৰ ৰাজ্য সময়ে অশান্তি দি বিৰক্ত কৰিছিল। তেওঁলোকৰ বিৰুদ্ধে চলোৱা অভিযানত আহোমৰ অসংখ্য জন-জীৱন ক্ষয় হোৱা স্বত্তেও রুদ্ৰসিংহই বিশ্বনাথৰ দৰবাৰত এই দুজন ৰজাক ক্ষমা কৰি ৰাজনৈতিক

দূৰদৰ্শিতাৰ বিৰল চানেকি দাঙি ধৰিছিল। তেওঁ ভালদৰে বুজি পাইছিল যে তেওঁলোকক বলপূৰ্বক বশ কৰা মানেই ভৱিষ্যতৰ বাবে এক নতুন অশান্তিৰ জন্ম দিয়া। সেয়ে তেওঁলোকৰ লগত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰি তেওঁ স্থায়ী শান্তি স্থাপনৰ বাট মুকলি কৰিছিল।

**বংগ বিজয়ৰ পৰিকল্পনা:** ৰুদ্ৰসিংহই বংগদেশ অভিযানৰ উদ্দেশ্যে এক বিশাল সামৰিক আয়োজন আৰম্ভ কৰিছিল। কিন্তু তেওঁৰ মৃত্যুৱে এই পৰিকল্পনা ব্যৰ্থ নকৰা হেতেন সমগ্ৰ পূৰ্ব ভাৰতত তেওঁৰ সামৰিক শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হ'লহেঁতেন।

**ভাষা-সাহিত্যৰ উন্নতি:** এজন নিৰক্ষৰ যোদ্ধা হ'লেও স্বৰ্গদেউ ৰুদ্ৰসিংহ অসমীয়া ভাষা-সাহিত্যৰ এজন ডাঙৰ পৃষ্ঠপোষক আছিল। তেওঁৰ পৃষ্ঠপোষকতাতেই অসমীয়া ভাষাত ভালেসংখ্যক মহান পণ্ডিতে বহুতো মূল্যবান গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষাক চহকী কৰি থৈ গৈছে। তেওঁৰেই নিৰ্দেশমতে কবিৰাজ চক্ৰৱৰ্তীয়ে 'ভাৰতী', সৰ্বানন্দ দ্বিজে মহাভাৰতৰ শান্তিপৰ্বৰ অনুবাদ, ৰুচিনাথ কন্দলীয়ে মাৰ্কণ্ডেয় পুৰাণৰ চণ্ডী আখ্যানটি অনুবাদ কৰে। তেওঁ কালিকা পুৰাণখনিও ৰচনা কৰিছিল।

**স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰ বিকাশ:** স্বৰ্গদেউ ৰুদ্ৰসিংহ স্থাপত্য আৰু ভাস্কৰ্য শিল্পলৈ বিশেষ অনুৰাগী আছিল। তেওঁ জয়সাগৰৰ পুখুৰী খন্দাই তাৰ পাৰত জয়দৌল নিৰ্মাণ কৰাই মাতৃ জয়মতীৰ

Scanned with CamScanner

ত্যাগৰ স্মৃতি অমৰ কৰি থৈ গৈছে। তেওঁৱেই ৰংপুৰ নগৰ নিৰ্মাণ কৰায়। তাৰোপৰি কামাখ্যৰ দল, যাহাদৈৰ শিলাৰ সাঁকো, তিমৌৰ শিলৰ সাঁকো, খৰিকটীয়া আলি, মেটেকাৰ আলি আদি নিৰ্মাণ কৰাই প্ৰজাৰ অশেষ কল্যাণ সাধন কৰি থৈ যায়।

প্ৰশাসনিক সংস্কাৰ: প্ৰশাসনৰ ক্ষেত্ৰত ৰুদ্ৰ সিংহই কাকতী, কটকী, বৈৰাগী, দলৈ আৰু খাউন্দ- এই পাঁচটি নতুন খেলৰ সৃষ্টি কৰি নিজৰ ব্যক্তি প্ৰতিভা আৰু অভিজ্ঞতাৰ পৰিচয় দিয়ে। কাকতীসকলে ৰাজ্যৰ আয়-ব্যয় তথা পাইকসকলৰ আৰু তাঁতশাল সমূহৰ হিচাপ ৰখা, কটকী সকলে চিঠিপত্ৰ আনা-নিয়া কৰা, বৈৰাগী সকলে ছদ্মবেশত দেশ বিদেশত ঘূৰি-ফুৰি সেই অঞ্চলৰ সভ্যতা-সংস্কৃতিৰ তথ্য সংগ্ৰহ কৰা, দলৈ সকলে ভৱিষ্যত গণনা কৰা আৰু খাউন্দ সকলে শাস্ত্ৰমতে মৃতকৰ সৎকাৰ কৰা আদি কাম কৰিছিল।